**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-05-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

পাকিস্তানৰ সৈতে থকা নিয়ন্ত্ৰণ ৰেখা আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ বাৰামুল্লাৰ পৰা ভূজলৈকে প্ৰায় ২৬টা স্থানক লক্ষ্য কৰি যোৱানিশা পাকিস্তানে চলোৱা ড্ৰোন আক্ৰমণ ভাৰতীয় প্ৰতিৰক্ষা ব্যৱস্থাই সফলতাৰে প্ৰতিহত কৰে। এই ড্ৰোনসমূহৰ ভিতৰত অসামৰিক তথা সামৰিক ঘাটিৰ বাবে ভাবুকি সৃষ্টি কৰিব পৰা ড্ৰোনো আছিল। প্ৰতিৰক্ষা সূত্ৰসমূহে প্ৰকাশ কৰা অনুসৰি বাৰামুল্লা, শ্ৰীনগৰ, অৱন্তিপুৰ, নাগৰোটা, জম্মু, ফিৰোজপুৰ, পাঠানকোট, ফাজিল্‌কা, লালগড় জট্টা, জয়ছলমেৰ, বাড়মেৰ, ভূজ, কোৱাৰবেট আৰু লখীনালা আদি অঞ্চলত এই ড্ৰোনসমূহ প্ৰত্যক্ষ কৰা হয়, কিন্তু প্ৰতিৰক্ষা বাহিনীয়ে সফলতাৰে এই আক্ৰমণ প্ৰতিহত কৰি ড্ৰোণসমূহ নিষ্ক্ৰীয় কৰে। অৱশ্যে ড্ৰোণ আক্ৰমণত ফিৰোজপুৰত এটা বাসগৃহ ধ্বংস হোৱাৰ লগতে পৰিয়ালৰ ৩ জন সদস্য অগ্নিদগ্ধ হয়। আহত লোককেইজনক নিকটৱৰ্তী চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় আৰু তেওঁলোক বৰ্তমান নিৰাপদে আছে বুলি আকাশবাণীৰ সংবাদদাতাই জনাইছে।

ভাৰতীয় সশস্ত্ৰ বাহিনীসমূহ সম্পূৰ্ণ সক্ষম হৈ আছে আৰু গতিশীল তথা ভূমিভাগৰ পৰা নিক্ষেপ কৰা অস্ত্ৰপ্ৰণালীৰ জৰিয়তে পাকিস্তানৰ ড্ৰোনসমূহ প্ৰতিহত আৰু ধ্বংস কৰি আহিছে। পৰিস্থিতি সন্দৰ্ভত চোকা দৃষ্টি ৰখা হৈছে আৰু প্ৰয়োজন সাপেক্ষে ক্ষীপ্ৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সীমান্ত অঞ্চলত থকা অসামৰিক লোকসকলক প্ৰয়োজন নহ'লে ঘৰৰ ভিতৰতে থাকিবলৈ স্থানীয় প্ৰশাসনে নিৰ্দেশনা জাৰি কৰিছে। প্ৰশাসনে লগতে ভীতিগ্ৰস্ত নহ'বলৈ আৰু সক্ষম তথা সতৰ্ক হৈ থাকিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

ইপিনে, ভাৰতীয় বিমান প্ৰাধিকৰণে সকলো অসামৰিক বিমান সঞ্চালনৰ বাবে অহা ১৪ মে'লৈ উত্তৰ আৰু পশ্চিম ভাৰতৰ ৩২টা বিমানবন্দৰ সাময়িকভাৱে বন্ধ ৰখাৰ কথা ঘোষণা কৰিছে। গুৰুত্বপূৰ্ণ স্থানসমূহৰ ভিতৰত অমৃতসৰ, চণ্ডীগড়, জম্মু, শ্ৰীনগৰ, ভূজ, জামনগৰ, জয়চলমেৰ, পাঠানকোট আৰু আন কেইবাটাও স্থানৰ বিমানবন্দৰ আছে। দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰে আজি পুনৰ স্বাভাৱিক সেৱা আৰম্ভ কৰিছে। অৱশ্যে পাকিস্তানৰ সৈতে সামৰিক উত্তেজনাৰ মাজতে সুৰক্ষা ব্যৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি যাত্ৰীসকলৰ বাবে কিছু নিৰ্দেশনাও জাৰি কৰা হৈছে।

oooooo

কাইলৈ পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব। ইয়াৰ বাবে জিলাসমূহত ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। **ডিব্ৰুগড়** জিলাত ভোটগণনা নিয়াৰিকৈ সম্পন্ন কৰিবলৈ এই প্ৰক্ৰিয়াত নিয়োজিত সুক্ষ্ম নিৰীক্ষক, কাউণ্টিং ছুপাৰভাইজাৰ আৰু সহযোগীসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। **তিনিচুকীয়া** আৰু **শোণিতপুৰ** জিলাতো ভোটগণনাৰ বাবে যাৱতীয় প্ৰস্তুতি অব্যাহত আছে। ধেমাজি জিলাৰ ধেমাজী আৰু চিচিবৰগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত জিলা পৰিষদ, আঞ্চলিক পৰিষদ আৰু গাঁও পঞ্চায়তৰ বাবে ধেমাজি মহাবিদ্যালয়ত ভোটগণনা অনুষ্ঠিত হ'ব।

জোনাই বিধানসভা সমষ্টিৰ অন্তৰ্গত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা জোনাইৰ চিদিচি কাৰ্যালয়ত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ বাবে যোৱা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। দুয়োটা পৰ্যায়ৰে ভোটগণনা কাইলৈ সম্পন্ন হ'ব।

০০০০০০

ভাৰত আৰু পাকিস্তানৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰণৰ পৰিপ্ৰেক্ষিতত দেশত বৰ্ধিত উত্তেজনাৰ মাজতে জিলা প্ৰশাসনসমূহে জনসাধাৰণৰ সুৰক্ষা আৰু নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ সকলোধৰণৰ সাংস্কৃতিক অনুষ্ঠান আৰু কাৰ্যসূচী আজিৰ পৰা বাতিল কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাজ্যত পূৰ্বে নিৰ্ধাৰিত বিহুৰ সকলো অনুষ্ঠান ইমানতে সামৰণি পেলাই ঐক্য আৰু সংহতিৰ চানেকি দাঙি ধৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছিল।

শিৱসাগৰ জিলাৰ জিলা দণ্ডাধীশ আয়ুষ গাৰ্গে জিলাখনত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠান, কাৰ্যসূচী আয়োজনৰ বাবে প্ৰদান কৰা সকলো অনুমতি প্ৰত্যাহাৰ কৰিছে। কাৰ্বি আংলঙৰ আয়ুক্ত নিৰলা ফাংছ'পিয়ে নিৰ্ধাৰিত সকলো সাংস্কৃতিক অনুষ্ঠানৰ অনুমতি প্ৰত্যাহাৰ কৰি অনুৰূপ জাননী জাৰি কৰিছে।

কামৰূপৰ আমিনগাঁও, উত্তৰ গুৱাহাটী, চাংসাৰি, বাইহাটা চাৰিআলি, হাজোকে ধৰি কেইবা ঠাইত আজি হ'বলগীয়া বিহু সাংস্কৃতিক অনুষ্ঠান বাতিল কৰা হৈছে।

০০০০০০

চৰকাৰে দেশৰ অত্যাৱশ্যকীয় সেৱা আৰু ব্যৱস্থাসমূহ সুচাৰুৰূপে চলি থকাটো নিশ্চিত কৰাৰ বাবে কোনো ত্ৰুটি এৰা নাই। ৰাষ্ট্ৰীয় সুৰক্ষাৰ শেহতীয়া পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন মন্ত্ৰালয় আৰু বিভাগসমূহে ৰাষ্ট্ৰীয় প্ৰস্তুতি আৰু আন্তঃমন্ত্ৰালয় সহযোগিতাৰ পদক্ষেপ গ্ৰহণ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে  দেশত অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাৱ ঘটা নাই বুলি প্ৰকাশ কৰিছে। বৰ্তমান অত্যাৱশ্যকীয় সামগ্ৰীৰ যথেষ্ট পৰিমাণে মজুত আছে বুলি তেওঁ ৰাইজক আশ্বস্ত কৰে। খাদ্য সামগ্ৰীৰ অভাৱ ঘটা বুলি প্ৰচাৰ হোৱা বাতৰি ভুৱা বুলি প্ৰকাশ কৰি তেওঁ এনেধৰণৰ অপপ্ৰচাৰত বিশ্বাস নকৰিবলৈ ৰাইজক আহ্বান জনায়।

কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাই কালি বিভাগটোৰ শীৰ্ষ বিষয়াসকলৰ সৈতে স্বাস্থ্য আন্তঃগাঁথনি আৰু প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা কৰে। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি সন্ধিয়া একেধৰণৰ আন এখন বৈঠকত অধ্যক্ষতা কৰি বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ চাইবাৰ সুৰক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা কৰে। ৰাজহুৱা খণ্ডৰ বেংকসমূহে প্ৰকাশ কৰা অনুসৰি এটিএম, নগদ ধন জমা কৰা আৰু ধন উলিওৱা মেচিন তথা সকলোধৰণৰ ডিজিটেল সেৱা সম্পূৰ্ণৰূপে কাৰ্যকৰী হৈ আছে আৰু জনসাধাৰণৰ বাবে এই সেৱা উপলব্ধ হৈ আছে। বেংকসমূহে অপ্ৰমাণিত তথ্যৰ ওপৰত ভৰষা নকৰিবলৈ গ্ৰাহকসকলক আহ্বান জনাইছে। আনহাতে ইণ্ডিয়ান অইল কৰ্পৰেচনে সমগ্ৰ দেশতে পৰ্যাপ্ত পৰিমাণৰ ইন্ধন মজুত আছে বুলি আশ্বাস দিছে। সংস্থাটোৰে লগতে জনসাধাৰণক অপ্ৰয়োজনীয়ভাৱে ইন্ধন ক্ৰয় কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে।

০০০০০০

সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আকাশবাণীৰ বাতৰি সেৱা বিভাগে প্ৰতিঘণ্টাই প্ৰচাৰিত ইংৰাজী আৰু  হিন্দী বাতৰিৰ সময় ১০ মিনিটলৈ বৃদ্ধি কৰিছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰই ইয়াৰ মহাবাহু শাখাত এই বাতৰিসমূহ ৰীলে কৰাৰ বাবে আমাৰ কেন্দ্ৰৰ কেইবাখনো আঞ্চলিক বাতৰিৰ সময়সূচীৰ কেতবোৰ সাল সলনি

ঘটোৱা হৈছে। সেই অনুসৰি পুৱা ৯ বজাত প্ৰচাৰিত হবলগীয়া  পুৱাৰ আঞ্চলিক বাতৰি আজিৰে পৰা ৯  বাজি ২০ মিনিটৰ পৰা প্ৰচাৰিত হব। কালিৰে পৰা নিশাৰ আঞ্চলিক বাতৰি ৯ বাজি ২৫ মিনিটৰ পৰিৱৰ্তে নিশা ১০ বজাত প্ৰচাৰিত হৈছে। আকাশবাণী গুৱাহাটীৰ মুখ্য বাতৰিৰ সময়ৰো সাল-সলনি ঘটোৱা হৈছে।

oooooo

সমাপ্ত